দূৰভাষ ঃ ০৩৭৬-২৩৯৮০৪৪ (অধ্যক্ষ)

অধ্যক্ষৰ কাৰ্য্যালয়

বাহনা মহাবিদ্যালয় ঃঃ পোঃ অঃ বাহনা ঃঃ ৭৮৫১০১ যোৰহাট (অসম)

(ডিব্রুগড় বিশ্ববিদ্যালয়ৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত)

তাৰিখ ঃ ৩০/০৮/২০২২

# জাননী

ইয়াৰ দ্বাৰাই ২০২২-২৩ বৰ্ষত স্নাতক তৃতীয় আৰু পঞ্চম ষান্মাসিক কলা আৰু বিজ্ঞান শাখাত নাম ভৰ্ত্তি কৰিব লগীয়া ছাত্ৰ-ছাত্ৰী সকলক জনোৱা যায় যে, তেওঁলোকৰ নাম ভৰ্ত্তি তলত উল্লেখ কৰা তাৰিখ অনুযায়ী হ'ব। সেয়েহে ছাত্ৰ-ছাত্ৰী সকলক নিৰ্দ্ধাৰিত তাৰিখত নাম ভৰ্ত্তি কৰিবৰ বাবে জনোৱা হ'ল। ছাত্ৰ-ছাত্ৰীসকলে কলেজ ৱেবচাইট www.bahonacollege.edu.in ত তেওঁলোকৰ Roll No আৰু Date of Birth ৰ যোগেদি log in কৰি Form Fill Up কৰিব লাগিব। ছাত্ৰ-ছাত্ৰী সকলৰ নাম ভৰ্ত্তিৰ ক্ষেত্ৰত চৰকাৰী নিৰ্দেশনা নং AHE.354/2021/B Dated in Dispur 6th September 2021 অনুসৰি যি সকল ছাত্ৰ-ছাত্ৰীৰ শ্ৰেণীত কমেও ৭৫ শতাংশ উপস্থিতি থাকে আৰু পূৰ্বৰ পৰীক্ষাত বেক নাথাকে কেৱল সেই সকলেহে Fee Waiver Scheme ত নাম ভৰ্ত্তি কৰিব পাৰিব যদিওবা তেওঁলোকে আগতে Fee Waiver Scheme ত নাম ভত্তি কৰিছিলে। ছাত্ৰ-ছাত্ৰীসকলে নাম ভৰ্ত্তিৰ সময়ত Form ৰ PDF Copy জমা দিওতে Student Diary ৰ প্ৰথম পৃষ্ঠাৰ জেৰক্স কপি জমা দিব লাগিব। তদুপৰি পূৰ্বৰ চেমিষ্টাৰৰ মাৰ্কশ্বিতৰ জেৰক্স কপি আৰু পূৰ্বৰ নাম ভৰ্ত্তিৰ ৰছিদৰ জেৰক্স কপি জমা দিব লাগিব। তৃতীয় ষান্মাসিকত নাম ভৰ্ত্তি কৰিব লগীয়া সকলে প্ৰথম ষান্মাসিকৰ মাৰ্কশ্বিতৰ জেৰক্স কপি আৰু পঞ্চম ষান্মাসিকত নাম ভৰ্ত্তি কৰিব লগীয়া সকলে তৃতীয় ষান্মাসিকৰ মাৰ্কশ্বিতৰ জেৰক্স কপি জমা দিব লাগিব। যি সকল ছাত্ৰ-ছাত্ৰীয়ে Fee Waiver Scheme ত নাম ভৰ্ত্তি কৰিবৰ বাবে উপযুক্ত হ'ব তেওঁলোকে **আগতে ৰোপণ কৰা গছ পুলিৰ ফটো ০১-০৯-২০২২ তাৰিখৰ ভিতৰত কাৰ্য্যালয়ত জমা দিব লাগিব** আৰু নাম ভৰ্ত্তিৰ সময়ত পৰিয়ালৰ বাৰ্ষিক আয়ৰ প্ৰমাণ পত্ৰ জমা দিব লাগিব (পৰিয়ালৰ বাৰ্ষিক আয় ২,০০,০০০/- ) টকাতকৈ কম হ'ব লাগিব। ছাত্ৰ-ছাত্ৰী সকলে চৰকাৰী নিৰ্দেশনা অনুসৰি বাৰ্ষিক আয়ৰ প্ৰমাণ পত্ৰ Circle Officer অথবা যিখন মহাবিদ্যালয়ত পঢ়ি আছে তাৰ অধ্যক্ষৰ পৰা অথবা Notary Affidavit কৰি জমা দিব পাৰিব। গছপুলিৰ ফটোৰ পিছফালে ছাত্ৰ-ছাত্ৰী সকলে তেওঁলোকৰ নাম, শ্ৰেণী, মেজৰ, গছপুলিটোৰ নাম আৰু মোবাইল নম্বৰ লিখি দিব লাগিব।

**নাম ভৰ্ত্তিৰ তাৰিখ ঃ**

| | |
|---|---|
| স্নাতক তৃতীয় ষান্মাসিক কলা | ঃ ০৬-০৯-২০২২ |
| স্নাতক তৃতীয় ষান্মাসিক বিজ্ঞান | ঃ ০৭-০৯-২০২২ |
| স্নাতক পঞ্চম ষান্মাসিক কলা | ঃ ০৮-০৯-২০২২ |
| স্নাতক পঞ্চম ষান্মাসিক বিজ্ঞান | ঃ ০৯-০৯-২০২২ |

**নাম ভৰ্ত্তিৰ মাচুল ঃ**

স্নাতক তৃতীয় আৰু পঞ্চম ষান্মাসিক কলা ঃ ৪৯৪০/-

স্নাতক তৃতীয় আৰু পঞ্চম ষান্মাসিক বিজ্ঞান ঃ ৫৯২০/-

স্নাতক তৃতীয় আৰু পঞ্চম ষান্মাসিক কলা আৰু বিজ্ঞান Fee Waiver : ৬৫০/-

বিঃদ্ৰ ঃ ছাত্ৰ-ছাত্ৰী সকলে নাম ভৰ্ত্তিৰ সময়ত মাচুলৰ চালান কপি সংগ্ৰহ কৰি নিৰ্দ্ধাৰিত মাচুল বেংকত জমা দি চালানৰ কাৰ্য্যলয় কপি কাৰ্য্যালয়ত জমা দিব লাগিব।

অধ্যক্ষ

বাহনা মহাবিদ্যালয়

**Online Apply** কৰাৰ তাৰিখ ০১-০৯-২০২২ ৰ পৰা ০৫-০৯-২০২২